## বিজয় নগৰ ৰাজ্যৰ প্ৰশাসন ব্যৱস্থা — ।

বিজয় নগৰ ৰাজ্য 1336 ত হৰিহৰ আৰু বুক্কাই প্ৰতিষ্ঠা কৰে। এই ৰাজ্যখন উচ্চ প্ৰশাসনিক গাঁথনিৰ বাবে প্ৰায় দুশবছৰ বগল বৰ্তি থাকিবলৈ সক্ষম হৈছিল। এই ৰাজ্যৰ প্ৰশাসনিক গাঁথনিৰ বিষয়ে — তাম্ৰ শিলালিপি, ৰাজবংশাৱলী, সমসাময়িক সাহিত্যৰাজি, বিদেশী পৰ্যটকৰ বিবৰণ, মুদ্ৰাৰ অনুক্ৰমালয়ো আদিৰ পৰা যথেষ্ট তথ্য পোৱা যায়। কেন্দ্ৰীয় প্ৰশাসন, প্ৰাদেশিক শাসন, স্থানীয় শাসন, বিচাৰ বিভাগ, ৰাজহ প্ৰশাসন আৰু সামৰিক প্ৰশাসন আদি ভাগত প্ৰশাসন ব্যৱস্থা ভগাব পাৰি।

কেন্দ্ৰীয় প্ৰশাসন — ৰাজ্যখনত ৰজাই আছিল শাসনৰ সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী। ৰাজ্যৰ সকলো প্ৰশাসন, আইন প্ৰণয়ন, ন্যায়বিভাগ, সামৰিক বিভাগ আদিৰ ৰজাই সৰ্বেসৰ্বা আছিল। সাধাৰণতে ৰজা স্বেচ্ছাচাৰী নাছিল আৰু প্ৰজাৰ মংগলেই আছিল ৰজাৰ প্ৰধান কৰ্তব্য।

মন্ত্ৰী পৰিষদ — প্ৰশাসনিক কাৰ্য্যত ৰজাক সহায় কৰিবলৈ আঠজনীয়া মন্ত্ৰী পৰিষদ আছিল। এই বিষয়বাৰ উত্তৰাধিকাৰ সূত্ৰে লাভ কৰিছিল যদিও ক্ষমতাৰ পৰা পদচ্যুত কৰাৰ অধিকাৰ ৰজাৰ আছিল। ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য সকলৰ মাজৰ পৰা মন্ত্ৰীসকলক নিয়োগ কৰা হৈছিল।

বিষয়াসকল — প্ৰশাসন ব্যৱস্থা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ কেবাগৰাকীও বিষয়া নিযুক্তি দিয়া হৈছিল। মুখ্য ধনভৰালী, মুখ্য শান্তিৰক্ষক, বাণিজ্য অধ্যক্ষ, ৰজাৰ বিভিন্ন কাম-কাজৰ বাবে বিভিন্ন বিষয়া নিযুক্তি দিয়া হৈছিল।

প্ৰাদেশিক প্ৰশাসন — প্ৰশাসনিক সুবিধাৰ্থে বিজয় নগৰ ৰাজ্যক 6 খন প্ৰদেশত ভাগ কৰা হৈছিল। নায়ক আছিল প্ৰদেশসমূহৰ মুখ্য বিষয়া। প্ৰশাসন, বিচাৰ আৰু সামৰিক ক্ষমতাৰ লগতে বিত্ত বিভাগ চোৱা-চিতা দায়িত্বও তেওঁৰ আছিল। প্ৰদেশসমূহ প্ৰান্ত নামে জনা গৈছিল।

স্থানীয় প্ৰশাসন — প্ৰশাসন ব্যৱস্থাত স্থানীয় প্ৰশাসনৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছিল। প্ৰান্তসমূহক নাডু, কোট্টম আৰু গাঁৱত ভাগ কৰা হৈছিল। গাঁওসমূহৰ শাসনৰ ভাৰ গাঁওসভাৰ ওপৰত ন্যস্ত আছিল। কেন্দ্ৰীয় প্ৰশাসন আৰু গাঁওসমূহৰ মাজত মহানায়কাচাৰ্য্যই যোগাযোগ ৰক্ষা কৰিছিল।

বিচাৰ বিভাগ — ৰজাই এই বিভাগৰ সৰ্বোচ্চ অধিকাৰী আছিল যদিও বিদ্যমান নিয়মীয়া আদালতো স্থাপন কৰা হৈছিল। গাঁৱৰ বিচাৰসমূহ গাঁওসভাই সম্পাদন কৰিছিল। প্ৰচলিত বিধানসমূহেই আছিল। দোষীক কঠোৰ শাস্তি বিধাৰ ব্যৱস্থা কৰা হৈছিল।

Scanned with CamScanner

(2)

ৰাজহ প্ৰশাসন — ভূমি খাজনাই আছিল ৰাজহৰ মূল উৎস। মাটিক বিভক্ত ভূমিসমূহৰ উৰ্বৰতাৰ ওপৰত খাজনা নিৰ্ধাৰণ কৰা হৈছিল। বাণিজ্য কৰ, চৰণীয়া পথাৰৰ কৰ, বিবাহ কৰ, বাগিচা কৰ, অৰণ্য কৰ আদি বিভিন্ন কৰ প্ৰয়োগ কৰি ৰাজহৰ পৰিমাণ বৃদ্ধি কৰা হৈছিল।

সামৰিক প্ৰশাসন — সামৰিক প্ৰশাসনৰ ক্ষেত্ৰত বিজয়নগৰে সামন্তবাদী নীতি গ্ৰহণ কৰিছিল। প্ৰাদেশিক শাসনকৰ্তাসকলে ৰজাৰ প্ৰয়োজন অনুসৰি সৈন্য যোগান ধৰিব লাগিছিল। সামৰিক বিভাগ পদাতিক, অশ্বাৰোহী আৰু হস্তী বিভাগত বিভক্ত আছিল। এই বিভাগ যথেষ্ট শক্তিশালী আৰু সু-পৰিচালিত আছিল।

---